**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-09-2026
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

---

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয়সকলক ডাঙৰ সপোন দেখিবলৈ আৰু নেতৃত্ব প্ৰদান কৰিব পৰা গুণৰ অধিকাৰী হ'বলৈ আহ্বান জনাইছে।

২। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত এটা কাৰ্যসূচীত অংশ লয়।

৩। নেপালত আকস্মিক বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা এহেজাৰ ৩৪৪ হৈছে।

৪। অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীত হ'বলগীয়া ব্ৰীকচ ৰাষ্ট্ৰসমূহৰ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আই ব্ৰীকচ সন্মিলন অনুষ্ঠিত হ'ব। **আৰু**

৫। ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু চিৰাগ চেট্টীৰ যুটিটো একেৰাহ তৃতীয়বাৰৰ বাবে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয়সকলক ডাঙৰ সপোন দেখিবলৈ আৰু নেতৃত্ব প্ৰদান কৰিব পৰা গুণৰ অধিকাৰী হ'বলৈ আহ্বান জনাইছে। তেওঁ কয়, যে ভাৰতীয় প্ৰতিভাই বিশ্বৰ আগশাৰীৰ কোম্পানীত নেতৃত্ব প্ৰদান কৰিলে ভাৰতীয় উদ্যোগেও বিশ্বক নেতৃত্ব দান কৰিবলৈ সমৰ্থ হ'ব। দিল্লী বিশ্ববিদ্যালয়ৰ শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ৰ শতবাৰ্ষিকী উদযাপনৰ অনুষ্ঠানত দিয়া ভাষণত শ্ৰীমোদীয়ে কালি এইদৰে আহ্বান জনায়। একবিংশ শতিকাৰ যুৱ প্ৰজন্মৰ উচ্চাকাংক্ষা আৰু উদ্যমক উৎসাহিত কৰি প্ৰধানমন্ত্ৰীয়ে ড্ৰোন প্ৰযুক্তিকে ধৰি বিভিন্ন প্ৰযুক্তি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে কৰা উদ্ভাৱনীমূলক কাম-কাজসমূহক প্ৰশংসা কৰে। তেওঁ যুৱ প্ৰজন্মক পূৰ্বৰ প্ৰজন্মতকৈ ডাঙৰ সপোন দেখি আৰু প্ৰত্যাহ্বান গ্ৰহণ কৰি গোলকীয় স্তৰত হিচাপ নিকাচ তথা বিত্তীয় ক্ষেত্ৰৰ কোম্পানী মুকলি কৰি বিশ্বক নেতৃত্ব দিবলৈ আহ্বান জনায়। তেওঁ কয়, যে ভাৰতীয়সকলে সম্প্ৰতি বিশ্বৰ আগশাৰীৰ কোম্পানীসমূহৰ নেতৃত্ব বহন কৰি আছে আৰু তেওঁলোকে নিজাববীয়াকৈ কোম্পানী গঠন কৰিব নোৱাৰাৰ কোনো কথা নাই।

শ্ৰীমোদীয়ে কয়, যে গোলকীয় অনিশ্চয়তা স্বত্বেও ভাৰতৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ৭ দশমিক ৮ শতাংশ হৈছে আৰু ইয়াৰ পৰা দেশৰ অৰ্থব্যৱস্থাৰ সামৰ্থ প্ৰতিফলিত হৈছে। তেওঁ কয়, যে ভাৰত নীতি স্থবিৰতাৰ যুগৰ পৰা নীতি গতিশীলতাৰ দিশে দীঘলীয়া যাত্ৰা সম্পূৰ্ণ কৰিছে।

**বাইট -মোদী-১**

প্ৰধানমন্ত্ৰীয়ে কয়, যে শ্ৰীৰাম বাণিজ্য মহাবিদ্যালয়ে প্ৰজন্ম প্ৰজন্ম ধৰি শিক্ষাৰ্থীসকলক শিকাৰ, আগবঢ়াৰ আৰু পৰিৱৰ্তন অনাৰ সুযোগ প্ৰদান কৰি আহিছে। তেওঁ কয়, যে মহাবিদ্যালয়খনে দীঘলীয়া সময় ধৰি নিজৰ সুকীয়া পৰিচয় গঢ়ি তুলিছে আৰু শৈক্ষিক উৎকৰ্ষতাৰ বাবে নাম অৰ্জন কৰিবলৈ সমৰ্থ হৈছে।

প্ৰধানমন্ত্ৰীয়ে ভাৰতক আমদানিৰ ওপৰত নিৰ্ভৰশীল ৰাষ্ট্ৰৰ পৰা আগশাৰীৰ ৰপ্তানিকাৰী ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত মেক ইন ইণ্ডিয়াৰ উদ্যমৰ সফলতাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ স্মাৰ্টফোন ৰপ্তানি মূল্য আঢ়ৈ লাখ কোটি টকাৰো অধিক  হৈছে আৰু প্ৰতিৰক্ষা উৎপাদন সৰ্বকালৰ সৰ্বাধিক ২ লাখ কোটি টকালৈ বৃদ্ধি হৈছে। তেওঁ কয়, যে ২০১৩-১৪ বৰ্ষত প্ৰতিৰক্ষা আমদানি ৬০০ৰ পৰা ৭০০ কোটি টকা আছিল আৰু সম্প্ৰতি এই পৰিমাণ ৪০ হাজাৰ কোটি টকাৰো অধিক হৈছে। প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ আন্তঃগাঁথনি উন্নয়ন আৰু নীতি প্ৰণয়নৰ ক্ষেত্ৰত দ্ৰুত স্থিতিৰ বিষয়েও প্ৰকাশ কৰে। তেঁও কয়, যে ৰে'লৱে নেটৱৰ্কৰ বৈদ্যুতিকীকৰণ আৰু মুক্ত বাণিজ্য চুক্তিৰ বৰ্ধিত সংখ্যাই যুৱ প্ৰজন্মৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে।

**বাইট -মোদী-২**

০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ দুদিনীয়া অসম ভ্ৰমণসূচীৰে আজি পুৱা গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিমান বন্দৰত উপ-ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনায়। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত গীতানগৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উদযাপন অনুষ্ঠানত অংশগ্ৰহণ কৰে। অনুষ্ঠানত অংশ লৈ, শ্ৰী ৰাধাকৃষ্ণণে কয়, যে শিক্ষা মানুহৰ জ্ঞান. বিবেক, চৰিত্ৰ আৰু চেতনা বিকাশৰ মাধ্যম। কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, মহাকাশ, প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰত ভাৰতৰ বাবে সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি হোৱা বুলি উল্লেখ কৰি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে শিক্ষাৰ্থীসকলক ডাঙৰ সপোন দেখিবলৈ আহ্বান জনায়। বিয়লি  শ্ৰীৰাধাকৃষ্ণণে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহত ভাগ ল'ব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ পুৱা কামাখ্যা মন্দিৰ দৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ এটা আধাৰশিলা স্থাপন অনুষ্ঠানত ভাগ ল'ব। তেওঁ লগতে বিশ্ববিদ্যালয়খনৰ অভিৱৰ্তন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰিব। অসম ভ্ৰমণ সামৰি উপ-ৰাষ্ট্ৰপতিগৰাকী মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী পৰহিলৈ ইম্ফললৈ যাব। তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা  তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰোহিত তথা দৃষ্টিৰোহিত শিক্ষাৰ্থীৰ বাবে থকা ডণ্ড্ৰি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০০০

নেপালত আকস্মিক বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা এহেজাৰ ৩৪৪ হৈছে। বানৰ পাছৰে পৰা ৫৯০ গৰাকী বিদেশী নাগৰিকসহ প্ৰায় পাঁচ হাজাৰ গৰাকী লোক সন্ধানহীন হৈ আছে। চুবুৰীয়া ৰাষ্ট্ৰখনত বৰ্তমানলৈকে ১৩ হাজাৰ ১০০ গৰাকী লোকক উদ্ধাৰ কৰা হৈছে।

নুৱাকোট জিলাৰ এটা চাৰিমহলীয়া অট্টালিকাৰ ধ্বংসস্তূপৰ মাজত ১০ দিন আৱদ্ধ হৈ থকা এগৰাকী ৬০ বছৰীয়া মহিলাক কালি জীৱন্তে উদ্ধাৰ কৰা হয়। নেপালত ছিন্ন-ভিন্ন মৃতদেহসমূহ চিনাক্ত

কৰাৰ বাবে ডি এন এ পৰীক্ষা আৰম্ভ কৰা হৈছে। আৰক্ষীয়ে চিনাক্তকৰণৰ বাবে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰাৰ পাছত ২২২ গৰাকী মহিলা, ৩৫৫ গৰাকী পুৰুষ আৰু ৪৫৩ গৰাকী অজ্ঞাত লোকৰ মৃতদেহ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। দুৰ্গত পৰিয়ালবৰ্গক সহায় কৰাৰ উদ্দেশ্যে নেপাল আৰক্ষীয়ে ৱেবচাইট যোগে এহেজাৰ ২৭০ টা মৃতদেহৰ সবিশেষ প্ৰকাশ কৰিছে। প্ৰভাৱি এলেকাসমূহত উদ্ধাৰ, সাহায্য সামগ্ৰী বিতৰণ, মৃতদহৰ ব্যৱস্থাপনা আৰু পথসমূহ যাতায়াতৰ বাবে পুনৰ মুকলি কৰাৰ কামত প্ৰায় সাত হাজাৰ ৯১২ গৰাকী আৰক্ষীকৰ্মী নিয়োগ কৰা হৈছে।

০০০০০০০

অহা ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীত হবলগীয়া ব্ৰীকচ ৰাষ্ট্ৰসমূহৰ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আয়োজিত আই ব্ৰীকচ সন্মিলন ৫ শতাধিক প্ৰতিষ্ঠানৰ বিনিয়োগকাৰী, বিভিন্ন দেশৰ বিত্তমন্ত্ৰী আৰু ব্যৱসায়িক নেতাসকলে অংশগ্ৰহণ কৰিব। দুদিনীয়া এই সন্মিলন ২১ খন ব্ৰীকচ সদস্যৰাষ্ট্ৰ আৰু অংশীদাৰ সদস্যৰাষ্ট্ৰ বেংকিং বিষয়ক আন্তঃগাথনি, ইন্ধন আৰু ডিজিটেল সামৰ্থ সন্দৰ্ভত যোগাযোগ বৃদ্ধি কৰাৰ লক্ষ্যৰে আয়োজন কৰা হৈছে। আই ব্ৰীকচ সন্মিলনত অংশ ল'বলগীয়া সম্পদ নিধি, পেঞ্চন নিধি আদি কাৰ্যালয় এক ট্ৰিলিয়ন আমেৰিকান ডলাৰতকৈ অধিক পুঁজি পৰিচালনা কৰে। এই সন্মিলনত বিভিন্ন দেশৰ মাজত বিনিয়োগ বৃদ্ধি আৰু ব্ৰীকচ অৰ্থনীতিৰ ৰাষ্ট্ৰসমূহৰ মাজত লেনদেন আৰু ডলাৰ বিহীন নিস্পত্তি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ইয়াৰোপৰি ভাৰতৰ ইউ পি আই অৰ্থাৎ ৰাষ্ট্ৰীয় দ্ৰুত লেনদেন ব্যৱস্থা আৰু ব্ৰাজিলৰ পিক্সকে ধৰি কেন্দ্ৰীয় বেংকসমূহৰ ডিজিটেল মুদ্ৰাৰ আন্তঃকাৰ্যক্ষমতা বিষয়তো আলোচনা কৰা হ'ব। ব্ৰীকচৰ ৰাষ্ট্ৰসমূহে বাণিজ্যিক গতিশীলতা, আমেৰিকাৰ পৰা পোৱা শুল্ক সম্পৰ্কীয় হেচা আৰু উচ্চ ব্যয়ৰ সৈতে সমযোজন কৰাৰ সময়তে এই সন্মিলন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। ব্ৰীকচৰ অধ্যক্ষতা কৰা ভাৰতে এইবাৰ ১২ আৰু ১৩ ছেপ্তেম্বৰত নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টাদশ শীৰ্ষ সন্মিলনৰ আয়োজন কৰিছে। এই সন্মিলনত ব্ৰীকচ ৰাষ্ট্ৰৰ নেতাসকলৰ লগতে অংশীদাৰ ৰাষ্ট্ৰ আৰু বিভিন্ন দেশৰ প্ৰতিনিধিসকলে অংশ ল'ব। উল্লেখযোগ্য যে ভাৰতে ব্ৰীকচৰ অধ্যক্ষতা কৰাৰ সময়ত স্থিতিস্থাপকতা, উদ্ভাৱন, সহযোগিতা আৰু বহনক্ষম ৰাষ্ট্ৰ গঢ়ি তোলাক মূল হিচাপে গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মানৱতা প্ৰথম শীৰ্ষক জনকেন্দ্ৰীক দৃষ্টিভংগীয়ে এই বিষয়টোকো প্ৰভাৱান্বিত কৰিছে।

০০০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ যোৱা নিশা তিনিদিনীয়া ভ্ৰমণসূচীৰে গোৱাত উপস্থিত হয়। এই ভ্ৰমণৰ সময়ছোৱাত গৃহমন্ত্ৰীগৰাকীৰ পশ্চিম খণ্ড পৰিষদৰ ২৮ সংখ্যক বৈঠকত সভাপতিত্ব কৰিব। তেওঁ গৃহ মন্ত্ৰ্যালয়ৰ বৈঠকত অংশগ্ৰহণ কৰাৰ লগতে বিজেপিৰ নতুন ৰাজ্যিক কাৰ্যালয়ো উদ্বোধন কৰিব।

০০০০০০০

ভাৰতৰ স্বাত্বিকসাইৰাজ ৰনকীৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটিটো একেৰাহ তৃতীয়বাৰৰ বাবে চাইনা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটো আজি ফাইনেলত চীনৰ হে জি টিং আৰু ৰেন জিয়াং যুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। বিশ্বৰ ৫ নম্বৰ স্থানৰ স্বাত্বিকসাইৰাজ আৰু ছিৰাগৰ যুটিটোৱে ছেমিফাইনেলত মালয়েছিয়াৰ নুৰ মহম্মদ অজ্ৰিয়ন আয়ু আৰু টেন ৰি কিয়ঙক ২১-১৫, ১৮-২১, ২১-১১ গেমত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

০০০০০০০

সমাপ্ত